# 2019

# ASSAMESE

## ( Major )

### Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) 'পুতুল নাচেৰ ইতিকথা' কাৰ উপন্যাস?

(খ) কমলী কি ৰোগত আক্ৰান্ত আছিল?

(গ) 'পদ্মানদীৰ মাঝি' উপন্যাসৰ সমধৰ্মী এখন বাংলা উপন্যাসৰ নাম লিখা।

(ঘ) ৰবীন্দ্ৰনাথৰ চুটিগল্প-সংকলন এখনিৰ নাম লিখা।

(ঙ) বাবু উদয়ভানুৰ ল'ৰা-ছোৱালী কেইটা আছিল?

(চ) 'ময়লা আঁচল' উপন্যাসখন কোন অঞ্চলৰ পটভূমিত ৰচিত?

(ছ) মুন্সী প্ৰেমচন্দৰ প্ৰকৃত নাম কি?

২। উত্তৰ লিখা : ২×৪=৮

(ক) ব্লেক প্রিন্স কোন? কোনে এই নাম ৰাখিছিল?

(খ) আধুনিক হিন্দী সাহিত্যৰ জনক বুলি কাক জনা যায় আৰু তেওঁৰ দ্বাৰা অনুবাদ উপন্যাস এখনিৰ নাম লিখা।

(গ) 'পদ্মানদীৰ মাঝি' উপন্যাসৰ কপিলা চৰিত্ৰটিৰ এটি চমু পৰিচয় দিয়া।

(ঘ) কাৰ, কোনখন উপন্যাসত 'বন্দেমাতৰম' গীতটি প্রথম প্রকাশিত হৈছিল?

৩। যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) হিন্দী সাহিত্যৰ ছায়াবাদ যুগৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(খ) সার্থক চুটিগল্প হিচাপে 'কফন' গল্পটোৰ সমীক্ষাত্মক আলোচনা চমুকৈ লিখা।

(গ) তাৎপর্য বিচাৰ কৰি 'পোষ্টমাষ্টাৰ' গল্পটিৰ পোষ্টমাষ্টাৰ-জনৰ মানসিক অন্তৰ্দ্বন্দ্ব কেনেদৰে ফুটি উঠিছে, লিখা।

(ঘ) ভাৰতীয় সাহিত্যৰ ধাৰণা সম্পৰ্কে তোমাৰ অভিমত ব্যক্ত কৰা।

(ঙ) কফন কি? ঘীসু আৰু মাধৱ চৰিত্ৰৰ লগত কফনৰ সম্পৰ্ক কি, ব্যাখ্যা আগবঢ়োৱা।





৪। হিন্দী সাহিত্য জগতত মুন্সী প্রেমচন্দ্ৰৰ স্থান সম্পৰ্কে এটি সমীক্ষাত্মক আলোচনা আগবঢ়োৱা। ১০

*অথবা*

ৰবীন্দ্ৰনাথৰ 'পোষ্টমাষ্টাৰ' গল্পৰ নায়িকা চৰিত্ৰটিৰ বিষয়ে বহলাই আলোচনা কৰা।

৫। ''জাতিবাদৰ কুসংস্কাৰৰ জ্বলন্ত ছবি 'ময়লা আঁচল'ত দেখা পোৱা যায়।'' বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা। ১০

*অথবা*

'ফনীশ্বৰনাথ ৰেণু আৰু হিন্দী উপন্যাস সাহিত্য'—টোকা লিখা।

৬। আঞ্চলিক উপন্যাসৰূপে 'পদ্মানদীৰ মাঝি'ৰ এটি সমীক্ষা আগবঢ়োৱা। ১০

*অথবা*

হোচেন মিঞা আৰু কুবেৰ চৰিত্ৰ দুটাৰ পৰিচয় দি 'পদ্মানদীৰ মাঝি' উপন্যাসৰ কাহিনীৰ অগ্ৰগতিত চৰিত্ৰ দুটাৰ প্ৰয়োজনীয়তা সম্পৰ্কে নিজৰ মতামত ব্যক্ত কৰি আলোচনা কৰা।

★★★